# গণতন্ত্ৰ ৰক্ষা কৰা

## ভাৰতৰ নিৰ্বাচন ব্যৱস্থাৰ এক অনুসন্ধান

### পাতনি

(এম.জি. দেৱছাহায়াম)

শেহতীয়া বছৰবোৰত ভাৰতৰ গণতন্ত্ৰক আন্তৰ্জাতিক পৰ্যৱেক্ষণকাৰীসকলে প্ৰশ্নবিদ্ধ কৰিছে। লণ্ডনৰ অৰ্থনৈতিক সমুহৰ চোৰাংচোৰা গোটৰ দ্বাৰা মুকলি কৰা ২০১৯ চনৰ গণতন্ত্ৰ সূচকত ভাৰত ১০ম স্থানৰ পৰা ৫১তম স্থানলৈ অৱনমিত হৈছিল- যি এক ডাঙৰ অৱনতি। এই সূচকে ভাৰতক 'ত্ৰুটিপূৰ্ণ গণতন্ত্ৰ'ৰ অধীনত শ্ৰেণীবদ্ধ কৰিছিল।

সংসদীয় নিৰ্বাচন-২০১৯ৰ পিছত আৰু অধঃপতনলৈ গৈছে। গোথনবাৰ্গ বিশ্ববিদ্যালয়স্থিত ভি-ডেম ইনষ্টিটিউটৰ ২০২০ চনৰ 'গণতন্ত্ৰ প্ৰতিবেদন'ত ভাৰতক সেই দেশসমূহৰ লীগত ৰাখিছে, যিবোৰ কৰ্তৃত্ববাদত উল্লেখনীয়ভাৱে পিছলি পৰিছে। প্ৰতিবেদনত কোৱা হৈছে, ভাৰতৰ গণতান্ত্ৰিক প্ৰক্ৰিয়া 'তীব্ৰ পতনৰ পথত' আছে। এইটো যোৱা ৬ বছৰত হোৱা ঘটনাবোৰৰ পৰা প্ৰমাণিত হৈছে, এইবোৰ যোৱা ডেৰ বছৰত আৰু অধিক হৈছে যেতিয়াৰ পৰা এক প্ৰতিক্ৰিয়াশীল আধিপত্যবাদী শাসনৰ নিৰন্তৰ প্ৰকাশ ঘটিছে।

এই অগ্ৰগতিবোৰে সংসদীয় নিৰ্বাচন-২০১৯ কেনেদৰে অনুষ্ঠিত হৈছিল, ভোট গণনা কৰা হৈছিল আৰু ফলাফল ঘোষণা কৰা হৈছিল তাৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল। জ'ছেফ ষ্টালিনৰ উদ্ধৃতি দি কোৱা হৈছে, 'এইটো লেখত ল'বলগীয়া কথা নহয় কোনে ভোট দিয়ে, লেখত ল'বলগীয়া কথাটো হৈছে কোনে ভোট গণনা কৰে।' ষ্টালিনৰ ৰাছিয়াত, এইটো সাধাৰণ নিয়ম আছিল। সংসদীয় নিৰ্বাচন-২০১৯কলৈ একেজাতীয় আৰু অন্যান্য প্ৰকাৰৰ মন্তব্য কৰা হৈছিল।

আমি এইটোও লক্ষ্য কৰিছিলো যে ভাৰতত পূৰ্বৰে পৰা চলি অহা নিৰ্বাচন ব্যৱস্থাৰ সাংঘাতিক ত্ৰুটী আছে য'ত ভোটদাতাৰ জনাদেশৰ প্ৰায় ২৫ শতাংশ জয় লাভ কৰা ৰাজনৈতিক দলে সংখ্যাগৰিষ্ঠ সাংসদ থকাৰ ফলত ক্ষমতা দখল কৰিব পাৰে আৰু নিজৰ ইচ্ছা অনুসৰি সমগ্ৰ জনতাৰ ওপৰত আৰোপ কৰিব পাৰে, এতিয়া যেনেদৰে হৈ আছে। আমি সংসদীয় নিৰ্বাচন-২০১৯ আৰু বৰ্তমানৰ লোকসভাৰ গঠন চাওঁ আহক। এই নিৰ্বাচনৰ বাবে ভাৰতৰ মুঠ ভোটাৰ আছিল ৯১.০৫ কোটি যাৰ ভিতৰত ৬৭.৪০শতাংশই ভোট দান কৰিছিল, যিটো ৬১.৩৬ কোটি আছিল। শাসক দলে (বিজেপি) এই ভোটৰ ৩৭.৩৬শতাংশ ভোট লাভ কৰিছিল যি ২২.৯০ কোটি আছিল আৰু ৩০৩খন আসন লাভ কৰিছিল। যদি এইটো সমানুপাতিক প্ৰতিনিধিত্ব প্ৰণালী হ'লহেঁতেন বিজেপিৰ আসনৰ অংশ মাত্ৰ ২০১ হ'লহেতেঁন যি সংখ্যাগৰিষ্ঠতাৰ পৰা বহু দূৰত। তদুপৰি, যদি বিজেপিৰ ভোটৰ অংশ মুঠ ভোটাৰৰ শতাংশ হিচাপে ল'ব লাগে তেন্তে ই মাত্ৰ ২৫.১৫ শতাংশত পৰিণত হয়। ইয়াৰ অৰ্থ হৈছে যে ২০১৯ চনৰ সংসদীয় নিৰ্বাচনত বৰ্তমানৰ শাসনব্যৱস্থাই ভাৰতৰ মাত্ৰ এক চতুৰ্থাংশ নিৰ্বাচকৰ জনাদেশ লাভ কৰিছিল।

এইটো স্বয়ং প্ৰতিনিধিত্বমুলক গণতন্ত্ৰৰ ওপৰত এক নিমৰ্ম আক্ৰমণ। আটাইতকৈ বেয়া কথাটো হ'ল যে সংসদীয় নিৰ্বাচন-২০১৯ৰ ক্ষেত্ৰত ইয়াৰ নিষ্ঠাৰ ওপৰত প্ৰশ্ন উত্থাপন হৈছিল। এক সুস্থ গণতন্ত্ৰত, নাগৰিকসকলে নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰু পৰিচালনাৰ প্ৰতি সক্ৰিয় আগ্ৰহ ল'ব বুলি আশা কৰা হৈছে। ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩২৪ৰ অধীনত স্থাপন কৰা ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰায়ে গণতন্ত্ৰৰ শক্তিশালীকৰণৰ বাবে উৎসৰ্গিত অ-ৰাজনৈতিক সংগঠনৰ সৈতে ঘনিষ্ঠ সহযোগিতাত কাম কৰিছে। নাগৰিকৰ এনে সংস্থাই আয়োগক মূল্যৱান মতামত প্ৰদান কৰিছে আৰু উদ্বেগ বা বিপদৰ বিষয়বোৰ চিহ্নিত কৰিছে।

সংসদীয় নিৰ্বাচন-২০১৯ৰ ইচিআইৰ আচৰণে গুৰুতৰ বিতৰ্ক আৰু সমালোচনাৰ সৃষ্টি কৰিছিল আৰু ইয়াৰ নিৰপেক্ষতাৰ ওপৰত কেবাটাও সংগঠনৰ দ্বাৰা আৰু পৰ্যাপ্ত কাৰণৰ সৈতে প্ৰশ্ন উত্থাপন কৰা হৈছিল। 'দ্য এছ'ছিয়েচন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ', প্ৰাক্তন অসামৰিক সেৱকসকলৰ সাংবিধানিক আচৰণ গোট (চিচিজি) আৰু 'ফ'ৰাম ফৰ ইলেক্ট্ৰৰেল ইণ্টেগ্ৰিটী' আদি কেইবাটাও গোটৰ ভিতৰত অনত্যম আছিল যিবোৰে ইভিএম ভোটদানৰ বিশুদ্ধতাৰ অভাৱ আৰু ইচিআইৰ পৰা নিৰপেক্ষতাৰ প্ৰস্থানৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বাধ্য হৈছিল। বহুতো ৰাজনৈতিক দল, মূলধাৰা আৰু ডিজিটেল মিডিয়া প্ৰতিষ্ঠান আৰু নাগৰিক সমাজৰ গোটবোৰেও ইচিআইৰ পৰা পৰ্যাপ্ত প্ৰতিফল অবিহনে শাসক দলৰ দ্বাৰা যিদৰে 'আদৰ্শ আচৰণ বিধি' উলংঘা কৰিছিল তাৰ বাবে গুৰুতৰ উদ্বেগ প্ৰকাশ কৰিছিল। নিৰ্বাচন আয়োগে এই যুক্তিসঙ্গত সমালোচনাবোৰৰ প্ৰতি অতি উদ্বেগজনক নিৰৱতাৰে সঁহাৰি দিছিল বা ইয়াৰ অসন্তুষ্টিজনক পৰিচালনা ৰক্ষা কৰিবলৈ আক্ৰমণাত্মকভাৱে জপিয়াই পৰিছিল, আনকি পেটেণ্টৰ উলংঘাক বিশেষভাৱে কেইবাজনো প্ৰাক্তন অসামৰিক সেৱকেও উল্লেখ কৰিছিল, যিসকলে নিৰ্বাচন অনুষ্ঠিত/তদাৰক কৰিছে।

এই সকলো গুৰুতৰ জনসাধাৰণৰ উদ্বেগৰ প্ৰতি ইচিআইৰ সঁহাৰি উদাসীন আছিল। সেয়েহে, মই কিছুমান সহকৰ্মীৰ সৈতে অন্যান্য উদ্বিগ্ন নাগৰিক সমাজ গোট আৰু অৰাজনৈতিক মঞ্চৰ পৰামৰ্শ ল'বলৈ উদ্যোগ লৈছিলো। ২০১৯ আৰু ২০২০ চনত 'ফ'ৰাম ফৰ ইলেক্ট্ৰৰেল ইন্টিগ্ৰেটী', 'পিপল ফাৰ্ষ্ট', 'দিল্লী চায়েন্স ফ'ৰাম', 'কনষ্টিটিউচনেল কণ্ডাক্ট গ্ৰুপ', 'অমন বিৰাদৰী ট্ৰাষ্ট' আৰু চেণ্টাৰ ফৰ ফাইনেন্সিয়েল একাউণ্টেবিলিটীৰ দৰে গোটৰ দ্বাৰা চেমিনাৰ আৰু ৰাজহুৱা আলোচনা অনুষ্ঠিত কৰা হৈছিল। যিবোৰ পৰামৰ্শ আহিছিল সেইবোৰৰ ভিতৰত এটা সৰ্বসন্মত আহিছিল নিৰ্বাচন সম্পৰ্কীয় বিষয়বোৰৰ ওপৰত ডমেইন জ্ঞানসম্পন্ন বিশিষ্ট আৰু অভিজ্ঞ ব্যক্তিসকলৰ এটা সংস্থা গঠন কৰা। এনেদৰে, নিৰ্বাচনৰ বিষয়ে গুৰুত্বপূৰ্ণ দিশবোৰৰ ওপৰত গভীৰভাৱে অনুসন্ধান কৰিবলৈ, আৱশ্যক হোৱা বিশেষজ্ঞৰ পৰামৰ্শৰ আহ্বান জনাবলৈ আৰু নিৰ্বাচন নিৰপেক্ষ আৰু নিখুঁতভাৱে অনুষ্ঠিত হোৱাটো নিশ্চিত কৰিবলৈ উপযুক্ত ফলাফল আৰু পৰামৰ্শ লৈ অহাৰ বাবে 'দ্য চিটিজেনচ কমিছন অন ইলেক্সনছ' (চিচিই) গঠন কৰা হৈছিল।

সঠিকভাৱে চিন্তা-চৰ্চাৰ পিছত ২০২০ চনৰ ৫ মাৰ্চত চিচিই স্থাপন কৰা হৈছিল আৰু নিৰ্বাচন সম্পৰ্কীয় নিৰ্দিষ্ট ক্ষেত্ৰ/বিষয়লৈ গৈছিল ঃ

ক) ভোটাৰ তালিকাৰ অখণ্ডতা আৰু অন্তৰ্ভুক্তি।

খ) ইলেক্ট্ৰনিক ভোটিং (ইভিএম/ভিভিপেট) আৰু গণতন্ত্ৰ নীতিৰ সৈতে ইয়াৰ অনুপালন।

গ) অপৰাধীকৰণ, ধন-বল আৰু নিৰ্বাচনী বণ্ড।

ঘ) নিৰ্বাচনৰ অনুসূচী আৰু প্ৰক্ৰিয়া আৰু আদৰ্শ আচৰণ বিধি অনুপালন।

ঙ) সামাজিক মাধ্যম, ভুৱা বাতৰি ইত্যাদিকে ধৰি সংবাদ-মাধ্যমৰ ভূমিকা।

চ) নিৰ্বাচনৰ আগত, সময়ত আৰু পিছত ইচিআইৰ স্বায়ত্ততা আৰু ইয়াৰ কাৰ্যকলাপ।

সংসদীয় নিৰ্বাচন-২০১৯ৰ আগত, সময়ত আৰু পিছত এই সকলোবোৰ ক্ষেত্ৰত চিচিইয়ে সাংঘাতিক ত্ৰুটি প্ৰত্যক্ষ কৰিছিল। এই সকলো ক্ষেত্ৰ/বিষয়-বস্তুৰ ওপৰত প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে আৰু পৰ্যায়ক্ৰমে মুকলি কৰা হ'ব। কিন্তু 'ইলেক্ট্ৰনিক ভোটিং (ইভিএম/ভিভিপেট) আৰু 'গণতন্ত্ৰনীতি'ৰ সৈতে ইয়াৰ অনুপালন'ত ত্ৰুটিবোৰ নিৰ্বাচনী গণতন্ত্ৰৰ বাবে প্ৰায় মাৰাত্মক দেখা গৈছে। সেয়েহে, আমি ব্যাপক ৰাজহুৱা আলোচনাৰ বাবে এই বিষয়টোৰ প্ৰতিবেদন মুকলি কৰি প্ৰথমে এই গুৰুত্বপূৰ্ণ বিষয়টোৰ সৈতে মোকাবিলা কৰি আছো। অধ্যয়নৰ কামত আই আই টি দিল্লীৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক অধ্যাপক ড° সঞ্জীৱ প্ৰসাদ তেওঁৰ সহযোগী ড° সুভাশিষ বেনাৰ্জী, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান, আই আই টি, দিল্লীৰ সৈতে পৰামৰ্শ দিছিল।

চিচিইৰ বিশেষজ্ঞৰ গোটে মুখ্যতঃ ই ভি এমৰ কাৰ্যকলাপ সংলগ্ন সাৰাংশত উল্লেখ কৰা 'গণতন্ত্ৰৰ নীতি' কিমানদুৰ মানি চলিছে নে নাই তাৰ ওপৰত সমীক্ষা কৰিছে আৰু মুখ্য প্ৰতিবেদনত বিতংভাৱে উপলব্ধ। সংক্ষেপতে, ই ভোটাৰক তেওঁৰ পছন্দ ব্যৱহাৰৰ সুবিধা প্ৰদান কৰাত সম্পূৰ্ণ স্বচ্ছতাৰ ওপৰত জোৰ দিয়ে আৰু এইটো সুনিশ্চিত কৰে যে এই বাছনি, প্ৰকৃততে সংগৃহীত ভোটত প্ৰতিফলিত হয় আৰু সামান্য বিচ্যুতি অবিহনে গণনা কৰা হয়। এই নীতিবোৰে এইটোও মানে যে ভোটাৰৰ দ্বাৰা ভোটদান প্ৰক্ৰিয়াটো সহজে বোধগম্য আৰু সত্যতা প্ৰমাণ কৰিব পাৰে আৰু প্ৰাসঙ্গিক প্ৰযুক্তি ব্যৱহাৰ কৰিলেও জটিলতা অবিহনে অডিট কৰিবলৈ মুকলি। নিৰ্বাচকৰ পছন্দৰ ত্ৰুটি বা ভুল তথ্যৰ কোনো সুযোগ থাকিব নালাগে।

গোটটোৱে কেইবাটাও ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বিশেষজ্ঞৰ জবানবন্দী আৰু বিশেষজ্ঞৰ মতামতৰ ওপৰত ভৰসা কৰিছে আৰু নিৰ্বাচনৰ সময়ত আটাইতকৈ উন্নত দেশবোৰে ইভিএম ব্যৱহাৰ পছন্দ নকৰাৰ কাৰণবোৰৰ বিষয়ে অৱগত কৰা হৈছিল। এই চিচিই গোটৰ আগত জবানবন্দী দাখিল কৰা ডমেইন জ্ঞানধাৰকসকলৰ ভিতৰত আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেমব্ৰিজৰ মেচাচুচেটছ ইনষ্টিটিউট অফ টেকনলজিৰ ৰোনাল্ড এল ৰিভেষ্ট; আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেচিগান বিশ্ববিদ্যালয়ৰ এলেক্স হেল্ডাৰমেন; আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ পুৰবী এল ভোৰা আৰু ভগীৰথ নৰহৰী; উত্তৰ-পশ্চিম বিশ্ববিদ্যালয়ৰ আলোক চৌধুৰী, আমেৰিকা যুক্তৰাষ্ট্ৰ, সন্দীপ শুক্লা, আই আই টি কানপুৰৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক অধ্যাপক; আমেৰিকা যুক্তৰাষ্ট্ৰৰ আইৱা বিশ্ববিদ্যালয়ৰ ডগলচ ডব্লিউ জোন্স; আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক বিশ্ববিদ্যালয়(ব্ৰুকলিন)ৰ নাছিৰ মেমন; কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ ফিলিপ বি ষ্টাৰ্ক, বাৰ্কেলী, বেনেচা টিগু, সহযোগী অধ্যাপক, স্কুল অফ কম্পিউটিং এণ্ড ইনফৰ্মেশ্বন চিষ্টেমছ, মেলবোৰ্ন বিশ্ববিদ্যালয়, চাইবাৰ চিকিউৰিটি, অষ্ট্ৰেলিয়া; এমজি দেৱাচায়াম, প্ৰাক্তন অসামৰিক সেৱক; ভাৰতৰ বিনামূলীয়া ছফ্টৱেৰৰ আন্দোলনৰ বাপ্পা সিনহা, কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক আৰু আই আই টি দিল্লীৰ স্কুল অৱ পাব্লিক পলিচীৰ সুবোধ শৰ্মা; অধিবক্তা এছ প্ৰসন্ন, দিল্লী, আৰটিআই কৰ্মী ভেঙ্কটেশ নায়ক, চেন্নাইৰ চেন্নাই গাণিতিক প্ৰতিষ্ঠানৰ কম্পিউটাৰ বিজ্ঞানৰ অধ্যাপক কেভি সুব্ৰমণ্যম, মিডিয়া-ব্যক্তি পুনম আগৰৱালা আৰু অনুপম ছৰাফ, অধ্যাপক

আৰু ফিউচাৰ ডিজাইনাৰ।

আই আই টি দিল্লীৰ ড° সঞ্জীৱ প্ৰসাদ আৰু ড° সুভাশিষ বেনাৰ্জীৰ সৈতে এই বিশেষজ্ঞসকল বিষয়টোৰ সমগ্ৰ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ মস্তিষ্ক আৰু এই বিশাল আৰু বিভিন্ন দক্ষতাৰ সৈতে মিল খাবলৈ আন এটা গোট একেলগে ৰখা সম্ভৱ নহ'ব।

সংক্ষেপতে সমল

ধাৰা ১.১ত, প্ৰতিবেদনত কাৰিকৰী বিৱৰণ আৰু বৰ্তমানৰ ইভিএমৰ অভিযান্ত্ৰিক ডিজাইন আৰু নিৰ্বাচনৰ সময়ত তেওঁলোকে পৰ্যায়ক্ৰমে অতিক্ৰম কৰা প্ৰক্ৰিয়াবোৰ পৰীক্ষা কৰিছে। ধাৰা ১.২ত, প্ৰতিবেদনত সংশ্লিষ্ট নাগৰিকে ইভিএম ব্যৱহাৰ কৰাত ত্ৰুটি বা খামখেয়ালীৰ বিষয়ে উল্লেখ কৰা উদ্বেগবোৰ বিশ্লেষণ কৰিছে। পৰৱৰ্তী শাখাত, নং ২, জিম্মা শৃংখলা আৰু নিৰ্বাচনৰ পিছত বিশ্বাসযোগ্যতা সম্পৰ্কীয় বিষয়বোৰ পৰীক্ষা কৰা হয়। প্ৰতিবেদনটোত ইভিএমৰ আৰু ভিভিপেটৰ কাৰিকৰী নিৰ্মাণ-কৌশল পৰীক্ষা কৰাত যথেষ্ট সময় আৰু  দক্ষতা নিয়োজিত কৰিছে। ইচিআইয়ে 'চাইড-চেনেল আক্ৰমণ'যেনেঃ ইলেক্ট্ৰমেগনেটিক আৰু অন্যান্য পদ্ধতিৰ জৰিয়তে  ইলেক্ট্ৰনিক ডিভাইচ হেক কৰাৰ সম্ভাৱনীয়তাৰ বিৰুদ্ধে সুৰক্ষাৰ বাবে উপস্থিত নহয়। আনকি পৰিশীলিত ইণ্টেল প্ৰচেছৰৰ 'ছফ্টৱেৰ গাৰ্ড এক্সটেনচন' হস্তক্ষেপ আৰু টেম্পাৰিঙৰ বাবে অসুৰক্ষিত প্ৰমাণিত হৈছে। মাত্ৰ কেইটামান ইভিএমে এটা সমষ্টিৰ বাবে নিৰ্বাচনৰ ফলাফল দোদুল্যমান হ'ব পাৰে। ই ভি এমত প্ৰচেছৰ চিপ কেৱল এককালিন প্ৰগ্ৰামযোগ্য, সেইটোও সন্দেহৰ আৱৰ্তত। দৰাচলতে, শেহতীয়া ইভিএমসমূহ আমেৰিকা যুক্তৰাষ্ট্ৰ ভিত্তিক বহুজাতিক দ্বাৰা যোগান ধৰা MK61FX512VMD12 মাইক্ৰকণ্ট্ৰোলাৰ ব্যৱহাৰ কৰে, য'ত এটা প্ৰগ্ৰামযোগ্য ফ্লেছ মেম'ৰী আছে।

পৰৱৰ্তী পৰীক্ষা তেতিয়াহে সম্ভৱ, যেতিয়া ইচিআইয়ে ইভিএম ডিজাইন আৰু প্ৰটোটাইপ ৰাজহুৱা কাৰিকৰী অডিটৰ বাবে উপলব্ধ কৰে। এইটো উল্লেখ কৰা হৈছে যে ইচিআইৰ কোনো বিশেষজ্ঞৰে কম্পিউটাৰ সুৰক্ষাৰ বিষয়ে প্ৰমাণপত্ৰ নাই আৰু আয়োগে আন বহুতো বাহ্যিক সংস্থা আৰু সংগঠনৰ ওপৰত বিশ্বাস ৰাখে, যিসকলে নিজেই সম্পূৰ্ণ নিৰাপত্তা ভঙ্গ কৰিব পাৰে। নিৰ্বাচনী সংস্থাপনৰ ভিতৰত ইভিএমৰ গতিবিধিৰ বিভিন্ন পৰ্যায় - নিৰ্বাচনৰ আগত আৰু সময়ত, পৰৱৰ্তী সংৰক্ষণ, গণনা আৰু ফলাফল ঘোষণা -অনুসৰণ কৰাৰ পিছত প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে কিছুমান ব্যৱধান আছে য'ত যন্ত্ৰবোৰ কৰ্তৃত্ব অবিহনে প্ৰাপ্ত কৰিব পাৰি বা টেম্পাৰ কৰিব পাৰি।

অনুসন্ধানবোৰে প্ৰকাশ কৰে যে, সঁচাকৈয়ে, সকলো ক্ষেত্ৰতেই ভোটাৰৰ পছন্দ সম্পূৰ্ণ বিশ্বস্ততাৰ সৈতে প্ৰতিফলিত হোৱাৰ কোনো নিশ্চয়তা নাই আৰু সেয়েহে সম্ভাব্য ত্ৰুটি বা কাৰচাজিৰ পৰিমাণ নিৰ্বিশেষে ইচিআইৰ বৰ্তমান প্ৰক্ৰিয়াবোৰ সংশোধন কৰিবলৈ তাৎক্ষণিক পদক্ষেপ লোৱা হওক। ইয়াৰ উপৰি, ডমেইন বিশেষজ্ঞসকলে স্পষ্টভাৱে কৈছে যে ইচিআইৰ বৰ্তমানৰ 'মানদণ্ডৰ আশ্বাস' আৰু পৰীক্ষাৰ ৰণনীতিয়ে নিশ্চিতকৈ ফলাফলৰ প্ৰৱঞ্চনা বা কৌশলেৰে পৰিচালনাৰ সুযোগ মুকলি নকৰে।

ভোটাৰসকলে তেওঁলোকৰ সৈতে সংলগ্ন ইভিএম আৰু ইয়াৰ লগত যুক্ত প্ৰিন্টাৰৰ পৰা ওলোৱা শাৰীৰিকভাৱে কাগজৰ শ্লিপ চাবলৈ আৰু পৰীক্ষা কৰিবলৈ সক্ষম হোৱাটো নিশ্চিত কৰিবলৈ ভিভিপেট প্ৰণালীটো পিছত আৰম্ভ কৰা হৈছিল। উচ্চতম ন্যায়ালয়ে ভোটাৰসকলক তেওঁলোকৰ ভোটৰ সম্পূৰ্ণ বিশ্বস্ততাৰ বিষয়ে আশ্বাস দিয়াৰ বাবে ভিভিপেটক অতিৰিক্ত পৰ্যায় হিচাপে প্ৰৱৰ্তন কৰাৰ নিৰ্দেশ দিছিল কিন্তু ভোটদানৰ বৰ্তমান প্ৰক্ৰিয়া এই উদ্দেশ্যৰ সৈতে অনুৰূপ নহয় আৰু ত্ৰুটিবোৰ আওকাণ কৰে, যাতে হেৰফেৰ কৰিব পৰা যায়। উদাহৰণ স্বৰূপে, এই কাগজৰ ট্ৰেইলটো অকাৰ্যকৰী ৰূপত প্ৰস্তুত কৰা হৈছে, কিয়নো ভোটাৰক ইয়াৰ চীল কৰা বাকচলৈ আঁতৰি যোৱাৰ আগতে তেওঁলোকৰ ভোট পৰীক্ষা কৰাৰ বাবে 'চিহ্নিত শ্লিপবোৰ' অতি সংক্ষিপ্ত সময় দিয়ে। ইয়াৰ উপৰি, ইচিআইয়ে বেলট বাকচত প্ৰাপ্ত পৰম্পৰাগত কাগজৰ গণনাত ব্যয় কৰা সময়তকৈ যথেষ্ট পৰিমাণে কম হোৱাৰ পিছতো অপ্ৰয়োজনীয়ভাৱে সময় ব্যয় কৰাৰ কাৰণ দেখুওৱাই ইলেক্ট্ৰনিক ফলাফলৰ সৈতে ভিভিপেট কাগজ-শ্লিপ গণনাৰ সংখ্যা পৰীক্ষা কৰিবলৈ অস্বীকাৰ কৰে। ভোটৰ ভিভিপেট শ্লিপ নিৰ্বাচনৰ পিছত এবছৰৰ বাবে ৰাখিব লাগে যদিও, ইচিআইয়ে ২০১৯ চনৰ নিৰ্বাচনৰ এই শ্লিপবোৰ নষ্ট কৰি পেলাইছে, যাৰ ফলত ইয়াৰ নীতি-নিষ্ঠতাক লৈ গভীৰ আশংকাৰ সৃষ্টি হৈছে। ইভিএমৰ ফলাফলৰ বাধ্যতামূলক পুনৰগণনা আৰু ভিভিপেট কাগজৰ শ্লিপৰ বাধ্যতামূলক গণনা সম্পৰ্কে নিয়মবোৰ সম্পূৰ্ণৰূপে অপৰিহাৰ্য।

মুখ্য প্ৰতিবেদনৰ লগতে কাৰ্যবাহী সাৰাংশই ভাৰতৰ নিৰ্বাচনৰ নিৰপেক্ষতা আৰু সততাৰ বিষয়ে জনগণৰ সকলো উদ্বেগ আৰু আশংকাক সম্বোধন কৰে আৰু এই সিদ্ধান্তবোৰত উপনীত হৈছেঃ

(ক) এণ্ড-টু-এণ্ড (ই২ই) প্ৰমাণীকৰণৰ অনুপস্থিতিৰ বাবে, বৰ্তমানৰ ইভিএম প্ৰণালী প্ৰমাণযোগ্য নহয় আৰু সেয়েহে গণতান্ত্ৰিক নিৰ্বাচনৰ বাবে অনুপযুক্ত।

(খ) ইভিএম এতিয়ালৈ হেক কৰা বুলি চিনাক্ত কৰা হোৱা নাই, ইয়াক যে হেক কৰিব নোৱাৰি তাৰ কোনো নিশ্চয়তা নাই।

এনেদৰে, ইভিএমবোৰ সম্ভৱতঃ টেম্পাৰ কৰা হ'ব পাৰে বুলি ধৰি লৈ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব।

(গ) এনেদৰে, বাস্তৱত , ফলাফলৰ সত্যতা আৰু নিৰ্ভৰযোগ্যতা নিশ্চিত কৰিবলৈ নাগৰিক সমাজ আৰু ৰাজনৈতিক দলবোৰে ( ৩০ শতাংশ আৰু ৫০ শতাংশ) দাবী কৰাতকৈ অধিক ইভিএম পৰীক্ষা কৰাটো প্ৰয়োজনীয় হ'ব পাৰে।

(ঘ) ফলাফল ঘোষণা কৰাৰ আগত ইলেকট্ৰনিক ভোট গণনাৰ কঠোৰ প্ৰাক-অডিট থাকিব লাগিব। অডিট কিছুমান ক্ষেত্ৰত হ'ব পাৰে - বিজয়ৰ মাৰ্জিনৰ ওপৰত নিৰ্ভৰ কৰি - ভিভিপেট শ্লিপৰ সম্পূৰ্ণ মেনুৱেল গণনাৰ প্ৰয়োজন।

(ঙ) ইলেকট্ৰনিক ভোটিং প্ৰণালীটো সত্যতা বা অডিটযোগ্য হ'বলৈ ছফ্‌ট্‌ৱেৰ আৰু হাৰ্ডৱেৰৰ স্বতন্ত্ৰ হ'বলৈ পুনৰ ডিজাইন কৰিব লাগে।

অন্তিম-টোকা

নিৰ্বাচনত ধন আৰু সংবাদ-মাধ্যমৰ শক্তিৰ সৈতে অন্ধসহ অপাৰদৰ্শী ইলেকট্ৰনিক ভোটিঙৰ সৈতে প্ৰথম-অতিত-পৰৱৰ্তী প্ৰণালীয়ে এনে এটি শাসন প্ৰতিষ্ঠা কৰিব পাৰে যি স্বৈৰাচাৰী, ক্লেপটোক্ৰেটিক আৰু অভিযাত হৈ উঠিব পাৰে। আমি এই প্ৰৱণতা স্পষ্টভাৱে সংসদীয় নিৰ্বাচন-২০১৯ত গঠিত চৰকাৰৰ পৰা আৰু যিদৰে ই আইন প্ৰণয়ন কৰে, নীতি প্ৰস্তাৱ কৰে আৰু প্ৰকৃত মানুহৰ সংগ্ৰাম আৰু প্ৰতিবাদৰ প্ৰতি সঁহাৰি দিয়ে তাৰ পৰা প্ৰত্যক্ষ কৰিছো।

ভাৰতৰ সংবিধান গণতান্ত্ৰিক শাসনৰ উচ্চ প্ৰতিষ্ঠান ঃ

ক) নিৰ্বাচন আয়োগ, নিষ্ঠাৰ সৈতে মুক্ত আৰু নিৰপেক্ষ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ বাধ্য;

খ) চৰকাৰ, ইয়াক আইন আৰু নিয়মৰ সৈতে সহযোগ কৰিবলৈ;

গ) সংসদ, এনে আইন প্ৰণয়ন কৰিবলৈ;

ঘ) উচ্চতম ন্যায়ালয়, নিৰীক্ষণৰ জৰিয়তে গণতন্ত্ৰৰ নীতি সুনিশ্চিত কৰিবলৈ।

ঙ) ভাৰতৰ ৰাষ্ট্ৰপতি, যাৰ নামত সমগ্ৰ শাসন ব্যৱস্থা পৰিচালনা হয়।

এই সকলোবোৰে ভাৰতৰ নিৰ্বাচনী গণতন্ত্ৰক বিফল কৰিছে। একো আচৰিত নহয় যে ভাৰতক এতিয়া ব্যাপকভাৱে এক ত্ৰুটিপূৰ্ণ আৰু বিফল গণতন্ত্ৰ হিচাপে মানি আছে যি একনায়কত্ববাদী আৰু কৰ্তৃত্ব বাদৰ দিশত দ্ৰুতগতিত আগবাঢ়ি আছে। এইটো সময় হৈছে 'আমি, জনসাধাৰণ', যিসকল চূড়ান্ত সাৰ্বভৌম, ভাৰতৰ মূল্যৱান গণতন্ত্ৰৰ ৰক্ষা কৰিবলৈ আগবাঢ়ি গৈছিল। এনে কৰিবলৈ ইচিআইৰ কাম-কাজ আৰু নিৰ্বাচন পৰিচালনা কৰাৰ পদ্ধতিৰ বিষয়ে ভোটাৰসকলক অৱগত কৰোৱা প্ৰয়োজন।

চিচিইয়ে এইবোৰেই কৰিছে আৰু আমি 'ভাৰতৰ জনসাধাৰণ'ৰ সন্মুখত প্ৰতিবেদনক আলোচনা, তৰ্ক আৰু বিচাৰ-বিবেচনাৰ বাবে ৰাখিছো যিবোৰৰ পৰাই ভাৰতক এক শক্তিশালী আৰু প্ৰাণৱন্ত গণতন্ত্ৰৰ দিশত লৈ যোৱাৰ বাবে অনবদ্য অখণ্ডতাৰ নিৰ্বাচনী প্ৰণালী উদ্ভৱ হ'ব...

(টোকা ঃ চিচিইৰ প্ৰসংগ, পটভূমি আৰু কাৰ্যকলাপৰ লগতে পৰিশিষ্টতাত ইয়াৰ গঠনৰ বাবে অগ্ৰণী পৰিস্থিতিৰ ওপৰত এক বিতং আৰু বিস্তৃত বৰ্ণনা আছে...)

*** এম জি দেৱচাহায়ম প্ৰাক্তন সেনা আৰু আইএএছ বিষয়া আৰু বৰ্তমান চিটিজেনছ কমিছন অন ইলেক্সনৰ সমন্বয়ক; আহবায়ক, ফ'ৰাম ফৰ ইলেক্ট্ৰেল ইণ্টিগ্ৰেটী; সদস্য, কন্সষ্টিটিউচনেল কণ্ডাক্ট গ্ৰুপ আৰু অধ্যক্ষ, পিপল-ফাৰ্ষ্ট।

## প্ৰস্তাৱনা

আধুনিক ভাৰতৰ আটাইতকৈ ডাঙৰ গৌৰৱ কেৱল বিশ্বৰ বৃহত্তমেই নহয়, বৰঞ্চ তৃণমূল পৰ্যায়ৰ প্ৰাতিষ্ঠানিক প্ৰণালীৰ কাৰণে, যি আমি পঞ্চায়ত ৰাজৰ বাবে নিৰ্মাণ কৰিছো, সেইটোও আটাইতকৈ প্ৰাণৱন্ত গণতন্ত্ৰ। ইয়ে প্ৰতিজন ভাৰতীয়ক স্থানীয়, ৰাজ্য আৰু ৰাষ্ট্ৰীয় স্তৰৰ শাসনত জনসাধাৰণৰ অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ বিশ্বৰ সৰ্বাধিক সংখ্যক নিৰ্বাচিত হোৱা প্ৰতিনিধি প্ৰদান কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ত ভাৰতীয় নিৰ্বাচন আয়োগৰ সংস্থা এইটো নিশ্চিত কৰিবলৈ বাধ্য যে এই অংশগ্ৰহণ কেৱল বাস্তৱত প্ৰতিনিধিয়েই নহয়, বৰঞ্চ বিশ্বৰ ভিতৰত আটাইতকৈ স্বতন্ত্ৰৰ ভিতৰত এটা।

এনে গণতন্ত্ৰত, দায়বদ্ধতা আৰু স্বচ্ছতা হৈছে সুস্বাস্থ্যৰ জামিনদাৰ। ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩২৪ৰ অধীনত স্থাপিত ইচিআইয়ে ভাৰতৰ তথ্য জনাৰ অধিকাৰ আইন (আৰটিআই), ২০০৫ৰ গাঁথনিৰ ভিতৰত ইয়াক নিশ্চিত কৰিবলৈ নাগৰিক সমাজৰ সৈতে কাম কৰিব বুলি আশা কৰা হয়। আমাৰ গণতন্ত্ৰত স্বচ্ছতাৰ জৰিয়তে দায়বদ্ধতাক উৎসাহিত কৰা আৰটিআই হৈছে এক নিকা চৰকাৰ নিশ্চিত কৰাৰ বাবে এক গভীৰ ৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতিৰ অভিব্যক্তি। এই প্ৰতিশ্ৰুতি সকলো ৰাজনৈতিক দলৰ দ্বাৰা বিনিময় কৰা আৰু আজিৰ ভাৰতৰ শাসক দলৰ ইস্তাহাৰৰো অংশ হৈ পৰাটো একো আশ্চৰ্যকৰ নহয়। নাগৰিকসকলে চৰকাৰ বা জনসাধাৰণৰ বাবে উদ্বেগৰ বিষয়বোৰ চিহ্নিত কৰাৰ বাবে আয়োগৰ সৈতে নিৰলসভাৱে কাম কৰিছে। এইটো এই প্ৰসংগত যে আমি বৰ্তমান প্ৰকাশনত বৰ্ণনা কৰা ইভিএম আৰু ভিভিপেটৰ কাৰ্যকলাপ সম্পৰ্কে গৱেষণা কৰাৰ চেষ্টা কৰিব পাৰোঁ।

সংস্কৰণটোৰ আগকথাত স্পষ্ট কৰি দিয়া হৈছে যে আমাৰ নাগৰিক গোটটো আমাৰ পেচাবোৰত ডাঙৰ ধৰণে জড়িত হৈ আছে আৰু ভাৰতৰ শাসনৰ নিৰ্মাণত ক্ষুদ্ৰতৰভাৱে জড়িত হৈ আছে, আজি ই যেনেদৰে থিয় দি আছে। তেওঁলোকৰ বাবে, ভাৰতৰ সংবিধান একমাত্ৰ গ্ৰন্থ, আৰু সেয়েহে তেওঁলোক এই কাৰণেই উদ্বিগ্ন যে ২০১৯ চনৰ সংসদীয় নিৰ্বাচনত ইচিআইৰ আচৰণে ইয়াৰ নিৰপেক্ষতাৰ প্ৰতি গভীৰ সন্দেহৰ সৃষ্টি কৰিছিল, যি সদায় ইয়াৰ আটাইতকৈ শক্তি আছিল। এছ'ছিয়েচন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ, প্ৰাক্তন অসামৰিক সেৱা বিষয়াৰ সাংবিধানিক আচৰণ গোট আৰু 'ফ'ৰাম ফৰ ইলেক্টৰেল ইণ্টিগ্ৰিটী' আদি নাগৰিক সমাজৰ গোটবোৰ অন্যতম আছিল যিসকল জনসাধাৰণৰ ধ্যান আকৰ্ষিত কৰিবলৈ অপাৰগ আছিল, যি নিৰপেক্ষতাৰ জনাদেশৰ ক্ষেত্ৰত ইচিআইৰ ত্ৰুটীৰ ৰূপত দেখা গৈছে। বহুতো ৰাজনৈতিক দল, মূলধাৰা আৰু ডিজিটেল মিডিয়া প্ৰতিষ্ঠানসমূহেও 'আদৰ্শ আচৰণ বিধি' দায়মুক্তিৰ সৈতে যেনেদৰে উলংঘন কৰিছিল তাৰ বাবে গুৰুতৰ আশংকা প্ৰকাশ কৰাত অংশ লৈছিল।

দায়বদ্ধ নাগৰিকৰ দ্বাৰা বিশেষভাৱে আঙুলিয়াই দিয়া অনিয়মসমুহৰ ক্ষেত্ৰত ইচিআইয়ে সমালোচনাৰ প্ৰতি সঁহাৰি দিয়া নাছিল নাইবা সমালোচকক সন্তুষ্ট কৰাৰ কোনো প্ৰয়াস কৰাও নাছিল লগতে নিজকে ৰক্ষা কৰিবলৈ চেষ্টাও কৰা নাছিল, যাৰ ভিতৰত কেইবাজনো অৱসৰপ্ৰাপ্ত বিষয়া আছিল, নিৰ্বাচন অনুষ্ঠিত কৰাত অভিজ্ঞ আছিল। নিৰ্বাচন অনুষ্ঠিত কৰাৰ গুৰুত্বপূৰ্ণ দিশবোৰ আলোচনা কৰিবলৈ অস্তিত্বলৈ আহিছিল "দ্য চিটীজেনছ কমিছন অন ইলেকশ্যনছ,' য'ত প্ৰয়োজন বিশেষজ্ঞৰ উপদেশ আৰু উপযুক্ত পৰামৰ্শ লৈ আহিছিল। এইবোৰ ভাৰতীয় নাগৰিকৰ বিবেচনাৰ বাবে ৰাজহুৱা স্থানত ৰখা হ'ব, যিবোৰ অৱশেষত ভাৰতৰ গৌৰৱান্বিত গণৰাজ্য হিচাপে নিৰ্বাচন পৰিচালনা সুনিশ্চিত কৰিবলৈ ভাৰতৰ শাসন ব্যৱস্থাত শেষ কথা হোৱা উচিত।

প্ৰমাণীকৰণযোগ্যতা আৰু স্বচ্ছতাৰ প্ৰয়োজনীয়তাৰ পৰিপ্ৰেক্ষিতত ইলেক্ট্ৰনিক ভোটিং মেচিন (ইভিএম) আৰু ভোটাৰ ভেৰিফায়েবল পেপাৰ অডিট ট্ৰেইল (ভিভিপিএটি)ৰ যোগ্যতাৰ সৈতে সম্পৰ্কিত প্ৰথম খণ্ডৰ প্ৰতিবেদন ৰাজহুৱা আলোচনাৰ বাবে সাজু। ইভিএমৰ কাৰ্যকলাপ চিচিইৰ বিশেষজ্ঞসকলে বিশেষকৈ 'গণতন্ত্ৰৰ নীতি' পালনৰ আলোকত গৱেষণা কৰিছে। আইনৰ প্ৰতি ধ্যান ৰাখি, ভোটাৰক তেওঁৰ ভোটাধিকাৰ সাৱ্যস্ত কৰাৰ সুবিধা প্ৰদান কৰিবলৈ সম্পূৰ্ণ স্বচ্ছতাৰ ওপৰত জোৰ দিয়া হৈছে আৰু এইটো নিশ্চিত কৰা হৈছে যে তেওঁলোকৰ বাছনি সঁচাকৈয়ে সঞ্চিত ভোটত প্ৰতিফলিত হয় আৰু এনেদৰে গণনা কৰা হয় - য'ত কোনো বিচ্যুতি নাই। এই নীতিবোৰ অনিবাৰ্য যে ভোটদান প্ৰক্ৰিয়াটো ভোটাৰৰ দ্বাৰা সহজে বুজি পোৱা আৰু প্ৰমাণযোগ্য হ'ব আৰু জটিলতা অবিহনে নিৰীক্ষণ কৰিবলৈ খোলা হ'ব কিন্তু প্ৰাসঙ্গিক প্ৰযুক্তিৰ প্ৰয়োগৰ দ্বাৰা গোপন কৰা নহয়।

নিৰ্বাচনত ত্ৰুটি বা মিছা উপস্থাপনৰ অনুমতি দিয়াৰ বাবে কোনো আপোচ হ'ব নোৱাৰে, কাৰণ আমাৰ দৃষ্টিত সেইটো ভাৰতৰ গণতন্ত্ৰৰ সাৰমৰ্মৰ সৈতে আপোচ হ'ব পাৰে আৰু ইয়ে আমাৰ সংবিধানক বশ কৰি পেলাব। ভোটদাতাৰ পছন্দ বিশ্বস্ততাৰে প্ৰতিফলিত হোৱাটো নিশ্চিত কৰাৰ শেষত, গোটটোৱে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বিশেষজ্ঞৰ পৰা লোৱা বিশেষজ্ঞ মতামতৰ ওপৰত নিৰ্ভৰ কৰিছেঃ এইবোৰে বৰ্ণনা কৰে যে তথ্য প্ৰযুক্তিত আটাইতকৈ উন্নত দেশবোৰেও

কিয় নিৰ্বাচনৰ সময়ত ইভিএমৰ ব্যৱহাৰ পৰিহাৰ কৰিছে, আনকি প্ৰাৰম্ভিক উৎসাহ স্বত্বেও। এই পৰামৰ্শবোৰ প্ৰযুক্তিৰ বিপ্লৱসমূহৰ আলোকত গণতান্ত্ৰিক কাৰ্যকাৰিতা আৰু সেইবোৰৰ সংৰক্ষণৰ সুৰক্ষাৰ বাবে মূল্যায়ণৰ মাপদণ্ড হিচাপে এতিয়া কেৱল ভাৰতৰ নাগৰিকসকলৰ সন্মুখত নহয়, সমগ্ৰ বিশ্বৰ গণতন্ত্ৰৰ সন্মুখত এই পৰামৰ্শসমূহ ৰখা হৈছে।

মদন লুকুৰ

ৰাজাহাত হাবিবুল্লাহ

প্ৰেছ বিজ্ঞপ্তি

নিৰ্বাচনৰ লগে লগে নিৰ্বাচনী প্ৰক্ৰিয়াত ভোটাৰৰ আস্থা সুৰক্ষিত কৰাৰ আৰশ্যক;

ইভিএম ভোটিঙত গণতন্ত্ৰৰ নীতি পালন কৰা উচিত ঃ নিৰ্বাচন সংক্ৰান্তীয় নাগৰিক আয়োগ(চিচিই)

এক সুস্থ গণতন্ত্ৰত, নাগৰিকসকলে নিৰ্বাচনৰ প্ৰক্ৰিয়া আৰু পৰিচালনাৰ প্ৰতি সক্ৰিয় আগ্ৰহ প্ৰকাশ কৰিব বুলি আশা কৰা হৈছে। ভাৰতৰ সংবিধানৰ অনুচ্ছেদ ৩২৪ৰ অধীনত স্থাপিত ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰায়ে গণতন্ত্ৰৰ শক্তিশালীকৰণৰ বাবে উৎসৰ্গিত অ-ৰাজনৈতিক সংগঠনৰ সৈতে ঘনিষ্ঠ সহযোগিতাত কাম কৰিছে। নাগৰিকৰ এনে সংস্থাই আয়োগক মূল্যৱান মতামত প্ৰদান কৰিছে আৰু উদ্বেগ বা বিপদৰ বিষয়বোৰ চিহ্নিত কৰিছে।

সেয়েহে এইটো দুঃখজনক যে সংসদীয় নিৰ্বাচন-২০১৯ত ইচিআইৰ আচৰণে গুৰুতৰ বিতৰ্কৰ সূত্ৰপাত কৰিছিল আৰু ইয়াৰ নিৰপেক্ষতাৰ ওপৰত কেবাটাও সংগঠনে পৰ্যাপ্ত কাৰণৰ সৈতে বৈধভাৱে প্ৰশ্ন উত্থাপন কৰিছিল। 'দ্য এছ'ছিয়েচন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছ', প্ৰাক্তন অসামৰিক সেৱকসকলৰ কন্সষ্টিটিউচনেল কণ্ডাক্ট গ্ৰুপ (চিচিজি) আৰু 'ফ'ৰাম ফৰ ইলেক্ট্ৰৰেল ইণ্টেগ্ৰিটী' দিল্লী চায়েন্স ফ'ৰাম, আমান বিৰাদৰী ট্ৰাষ্ট, পিপল ফাৰ্ষ্ট আৰু দ্য চেণ্টাৰ ফ'ৰ ফাইনেন্সিয়েল একাউণ্টেবিলিটী আদি অন্যান্য গোটবোৰৰ অন্যতম আছিল, যিবোৰে ইভিএম ভোটদানৰ বিশুদ্ধতাৰ অভাৱ আৰু ইচিআইৰ পৰা নিৰপেক্ষতাৰ প্ৰস্থানৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বাধ্য হৈছিল। বহুতো ৰাজনৈতিক দল, মূলধাৰা আৰু ডিজিটেল মিডিয়া প্ৰতিষ্ঠান আৰু নাগৰিক সমাজৰ গোটবোৰেও ইচিআইৰ পৰা পৰ্যাপ্ত প্ৰতিকাৰ অবিহনে শাসক দলৰ দ্বাৰা 'আদৰ্শ আচৰণ বিধি' উলংঘা কৰাৰ ওপৰত গুৰুতৰ উদ্বেগ প্ৰকাশ কৰিছিল। নিৰ্বাচন আয়োগে এই যুক্তিসঙ্গত সমালোচনাবোৰৰ প্ৰতি অতি উদ্বেগজনক নিৰৱতাৰে সঁহাৰি দিছিল বা আক্ৰমণাত্মকভাৱে ইয়াৰ ৰেকৰ্ডৰ সুৰক্ষাৰ বাবে জপিয়াই পৰিছিল, আনকি পেটেণ্টৰ দূৰ্বলতাক বিশেষভাৱে কেইবাজনো প্ৰাক্তন অসামৰিক সেৱকেও উল্লেখ কৰিছিল, যিসকলে নিজে নিৰ্বাচন অনুষ্ঠিত/তদাৰক কৰিছে।

যিহেতু ইচিআয়ে ইয়াৰ ব্যৰ্থতাসমূহক আত্ম-নিৰীক্ষণ কৰিবলৈ ইচ্ছুক নহয়, সেয়েহে, এগৰাকী বিশিষ্ট অৱসৰপ্ৰাপ্ত অসামৰিক সেৱাৰ বিষয়া আৰু বিভিন্ন নাগৰিক সমাজৰ এগৰাকী সক্ৰিয় সদস্য এম জি দেৱচাহায়মে অন্যান্য স্বতন্ত্ৰ নাগৰিক সমাজ গোট আৰু অৰাজনৈতিক মঞ্চৰ পৰামৰ্শ ল'বলৈ উদ্যোগ গ্ৰহণ কৰিছিল, যিসকলেও ইচিআইৰ স্থিতিবোৰক লৈ আশংকা প্ৰকাশ কৰিছিল। ২০১৯ আৰু ২০২০ চনত এই বিষয়ত আলোচনা-চক্ৰ আৰু ব্যাপক হাৰত ৰাজহুৱা বিতৰ্কও অনুষ্ঠিত হৈছিল। এই প্ৰক্ৰিয়াবোৰৰ পৰা উদ্ভৱ হোৱা এক সৰ্বসন্মত পৰামৰ্শ আছিল ভাৰতৰ নিৰ্বাচনৰ সৈতে সম্পৰ্কিত গুৰুত্বপুৰ্ণ দিশবোৰ অনুসন্ধান কৰিবলৈ ডমেইন জ্ঞানসম্পন্ন বিশিষ্ট আৰু অভিজ্ঞ ব্যক্তিসকলৰ এটা সংস্থা গঠন কৰা। এনেদৰে, নিৰ্বাচনৰ বিষয়ে গুৰুত্বপূৰ্ণ দিশবোৰৰ ওপৰত গভীৰভাৱে অনুসন্ধান কৰিবলৈ, আৰশ্যক হোৱা বিশেষজ্ঞৰ পৰামৰ্শৰ আহ্বান জনাবলৈ আৰু নিৰ্বাচন নিৰপেক্ষ আৰু নিখুঁতভাৱে অনুষ্ঠিত হোৱাটো নিশ্চিত কৰিবলৈ উপযুক্ত ফলাফল আৰু পৰামৰ্শ লৈ অহাৰ বাবে 'দ্য চিটিজেনচ কমিছন অন ইলেক্সনছ' (চিচিই) গঠন কৰা হৈছিল।

২০২০ চনৰ ৫ মাৰ্চত চিচিই স্থাপন কৰা হৈছিল, আৰু নিম্নলিখিতবোৰ অন্তৰ্ভুক্ত কৰা হৈছিল ঃ

১) উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ শ্ৰীযুত ন্যায়াধীশ মদন লোকুৰ, অধ্যক্ষ

২) শ্ৰীযুত ৱাজাহত হাবিবুল্লাহ আইএএছ (অৱসৰঃ), প্ৰাক্তন চিআইচি, উপাধ্যক্ষ, (চিচিজি)

৩) মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ শ্ৰীযুত ন্যায়াধীশ হৰি পৰন্তমান

৪) অধ্যাপক। অৰুণ কুমাৰ, বিশিষ্ট অৰ্থনীতিবিদ

৫) ড° জন দয়াল, নাগৰিক সমাজৰ কৰ্মী

৬) জ্যেষ্ঠ সাংবাদিক শ্ৰীমতী পামেলিয়া ফিলিপজ

৭) ড° সুভাশিষ বেনাৰ্জী, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান, আইআইটি, দিল্লী

৮) সদস্য-আহ্বায়ক, শ্ৰীযুত সুন্দৰ বুৰা আইএএছ (অৱসৰঃ), (চিচিজি)

এম জি দেৱচাহায়েমে(পিপল ফাৰ্ষ্ট আৰু চিচিজি)আয়োগৰ সমন্বয়ক ৰূপে কাম কৰি আছে।

চিচিই নিৰ্বাচনী উদ্বিগ্নতা সম্বন্ধীয় নিৰ্দিষ্ট অঞ্চললৈ গৈছিল। ইয়াৰ প্ৰথম খণ্ডৰ প্ৰতিবেদনৰ ফলাফল, যি আজি জনসাধাৰণৰ সৈতে বিনিময় কৰা হৈছে, ইলেকট্ৰনিক ভোটিং মেচিন (ইভিএম) আৰু ভিভিপেট ( ভোটাৰ প্ৰমাণীকৰণযোগ্য কাগজ অডিট ট্ৰেইল)ৰ 'অযোগ্যতা' বা 'দুৰ্বলতা'ৰ সৈতে সম্পৰ্কিত। অধ্যয়নত আই আই টি দিল্লীৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক বিভাগৰ অধ্যাপক ড° সঞ্জীৱ প্ৰসাদে পৰামৰ্শ দিছিল। প্ৰতিবেদনটো ৰেবত....... হিচাপে ৰখা হৈছে আৰু এটা সাৰাংশ সংলগ্ন কৰা হৈছে।

চিচিইৰ বিশেষজ্ঞৰ গোটে মুখ্যতঃ এই নীতিৰ ওপৰত ই ভি এমৰ কাৰ্যকলাপৰ সমীক্ষা কৰিছে যে সংলগ্ন সাৰাংশত উপলব্ধ বিস্তৃত গুৰুত্বপুৰ্ণ 'গণতন্ত্ৰৰ নীতি'ৰ অনুপালন হৈছে নে নাই। সংক্ষেপতে, ইয়ে ভোটাৰক নিজৰ পছন্দৰ প্ৰাৰ্থী নিৰ্বাচনৰ অধিকাৰক সুগম কৰাত সম্পূৰ্ণ স্বচ্ছতাৰ ওপৰত জোৰ দিয়ে আৰু এইটো সুনিশ্চিত কৰে যে এই বাছনি, প্ৰকৃততে সংগৃহীত ভোটত প্ৰতিফলিত আৰু সামান্য বিচ্যুতি অবিহনে গণনা কৰা হয়। গণতন্ত্ৰৰ নীতিবোৰে এইটোও মান্যতা দিয়ে যে ভোটদান প্ৰক্ৰিয়াটো ভোটাৰৰ দ্বাৰা সহজে বোধগম্য আৰু সত্যতা প্ৰমাণ কৰিব পাৰে আৰু প্ৰাসঙ্গিক প্ৰযুক্তি ব্যৱহাৰ কৰিলেও জটিলতা অবিহনে অডিট কৰিবলৈ মুকলি। নিৰ্বাচকৰ পছন্দৰ ত্ৰুটি বা ভুল তথ্যৰ কোনো সুযোগ থাকিব নালাগে।

গোটটোৱে কেইবাটাও ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বিশেষজ্ঞৰ বক্তব্য আৰু বিশেষজ্ঞৰ মতামতৰ ওপৰত ভৰসা কৰিছে আৰু নিৰ্বাচনৰ সময়ত আটাইতকৈ উন্নত দেশবোৰে ইভিএম ব্যৱহাৰ পছন্দ নকৰাৰ কাৰণবোৰৰ বিষয়ে অৱগত কৰা হৈছিল। এই চিচিই গোটৰ আগত বক্তব্য দিয়া ডমেইন জ্ঞানধাৰকসকলৰ ভিতৰত আছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ জৰ্জ ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ পুৰৱী এল ভোৰা আৰু ভগীৰথ নৰহৰী; নৰ্থ- ৱেষ্টাৰ্ণ বিশ্ববিদ্যালয়,আমেৰিকা যুক্তৰাষ্ট্ৰৰ আলোক চৌধুৰী; ভাৰতৰ বিনামূলীয়া ছফ্টৱেৰ আন্দোলনৰ বাপ্পা সিনহা, কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিক আৰু আই আই টি দিল্লীৰ স্কুল অৱ পাব্লিক পলিচীৰ সুবোধ শৰ্মা; অধিবক্তা এছ প্ৰসন্ন, দিল্লী, আৰটিআই কৰ্মী ভেঙ্কটেশ নায়ক, চেন্নাইৰ চেন্নাই গাণিতিক প্ৰতিষ্ঠানৰ কম্পিউটাৰ বিজ্ঞানৰ অধ্যাপক কেভি সুব্ৰমণ্যম, মিডিয়া-ব্যক্তি পুনম আগৰৱালা আৰু অনুপম ছৰাফ, অধ্যাপক আৰু ফিউচাৰ ডিজাইনাৰ আৰু কৰ্মী অৱসৰপ্ৰাপ্ত আইএএছ বিষয়া এমজি দেৱচাহায়ম। আয়োগে এই ক্ষেত্ৰত কিছুমান সৰ্বশ্ৰেষ্ঠ আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞৰ সাক্ষ্য লাভ কৰাৰো বিশেষাধিকাৰ প্ৰাপ্ত কৰিছে, য'ত আছে আমেৰিকা যুক্তৰাষ্ট্ৰৰ কেমব্ৰিজৰ মেচাচুচেটছ ইনষ্টিটিউট অফ টেকনলজিৰ ৰোনাল্ড এল ৰিভেষ্ট; আমেৰিকা যুক্তৰাষ্ট্ৰৰ মেচিগান বিশ্ববিদ্যালয়ৰ এলেক্স হেল্ডাৰমেন; আমেৰিকা যুক্তৰাষ্ট্ৰৰ আইৱা বিশ্ববিদ্যালয়ৰ ডগলচ ডব্লিউ জোন্স; আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্ক বিশ্ববিদ্যালয়(ব্ৰুকলিন)ৰ নাছিৰ মেমন; কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ ফিলিপ বি ষ্টাৰ্ক, বাৰ্কেলী, বেনেচা টিগু, সহযোগী অধ্যাপক, স্কুল অফ কম্পিউটিং এণ্ড ইনফৰ্মেশ্বন চিষ্টেমছ, মেলবোৰ্ন বিশ্ববিদ্যালয়, চাইবাৰ চিকিউৰিটি, অষ্ট্ৰেলিয়া।

ধাৰা ১.১ত, প্ৰতিবেদনত কাৰিকৰী বিৱৰণ আৰু বৰ্তমানৰ ইভিএমৰ অভিযান্ত্ৰিক ডিজাইন আৰু নিৰ্বাচনৰ সময়ত তেওঁলোকে পৰ্যায়ক্ৰমে অতিক্ৰম কৰা প্ৰক্ৰিয়াবোৰ পৰীক্ষা কৰিছে। ধাৰা ১.২ত, প্ৰতিবেদনত সংশ্লিষ্ট নাগৰিকে ইভিএম ব্যৱহাৰ কৰাত ত্ৰুটি বা খামখেয়ালীৰ বিষয়ে উল্লেখ কৰা উদ্বেগবোৰ বিশ্লেষণ কৰিছে। পৰৱৰ্তী শাখাত, নং ২, জিম্মা শৃংখলা আৰু নিৰ্বাচনৰ পিছত বিশ্বাসযোগ্যতা সম্পৰ্কীয় বিষয়বোৰ পৰীক্ষা কৰা হয়। প্ৰতিবেদনটোত ইভিএমৰ আৰু ভিভিপেটৰ কাৰিকৰী নিমাৰ্ণ-কৌশল পৰীক্ষা কৰাত যথেষ্ট সময় আৰু দক্ষতা নিয়োজিত কৰিছে। ইচিআইয়ে 'চাইড-চেনেল আক্ৰমণ'যেনেঃ ইলেক্ট্ৰমেগনেটিক আৰু অন্যান্য পদ্ধতিৰ জৰিয়তে ইলেকট্ৰনিক ডিভাইচ হেক কৰাৰ সম্ভাৱনীয়তাৰ বিৰুদ্ধে সুৰক্ষাৰ বাবে উপস্থিত নহয়। আনকি পৰিশীলিত ইণ্টেল প্ৰচেছৰৰ 'ছফ্টৱেৰ গাৰ্ড এক্সটেনচন' হস্তক্ষেপ আৰু টেম্পাৰিঙৰ বাবে অসুৰক্ষিত প্ৰমাণিত হৈছে। মাত্ৰ কেইটামান ইভিএমে এটা সমষ্টিৰ বাবে নিৰ্বাচনৰ ফলাফল দোদুল্যমান হ'ব পাৰে। ই ভি এমত প্ৰচেছৰ চিপ কেৱল এককালিন প্ৰগ্ৰামযোগ্য, সেইটোও সন্দেহৰ আৱৰ্তত। দৰাচলতে, শেহতীয়া ইভিএমসমুহ আমেৰিকা যুক্তৰাষ্ট্ৰ ভিত্তিক বহুজাতিক দ্বাৰা যোগান ধৰা MK61FX512VMD12 মাইক্ৰকণ্ট্ৰোলাৰ ব্যৱহাৰ কৰে, য'ত এটা প্ৰগ্ৰামযোগ্য ফ্লেছ মেম'ৰী আছে।

পৰৱৰ্তী পৰীক্ষা তেতিয়াহে সম্ভৱ যেতিয়া ইচিআইয়ে ইভিএম ডিজাইন আৰু প্ৰটোটাইপ ৰাজহুৱা কাৰিকৰী অডিটৰ বাবে উপলব্ধ কৰে। এইটো উল্লেখ কৰা হৈছে যে ইচিআইৰ কোনো বিশেষজ্ঞৰে কম্পিউটাৰ সুৰক্ষাৰ বিষয়ে প্ৰমাণপত্ৰ নাই আৰু আয়োগে আন বহুতো বাহ্যিক সংস্থা আৰু সংগঠনৰ ওপৰত বিশ্বাস ৰাখে, যিসকলে নিজেই সম্পূৰ্ণ

নিৰাপত্তা ভঙ্গ কৰিব পাৰে।

নিৰ্বাচনী সংস্থাপনৰ ভিতৰত ইভিএমৰ গতিবিধিৰ বিভিন্ন পৰ্যায় - নিৰ্বাচনৰ আগত আৰু সময়ত, পৰৱৰ্তী সংৰক্ষণ, গণনা আৰু ফলাফল ঘোষণা -অনুসৰণ কৰাৰ পিছত প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে কিছুমান ব্যৱধান আছে য'ত যন্ত্ৰবোৰ কৰ্তৃত্ব অবিহনে প্ৰাপ্ত কৰিব পাৰি বা টেম্পাৰ কৰিব পাৰি।

অনুসন্ধানবোৰে প্ৰকাশ কৰে যে, সঁচাকৈয়ে, সকলো ক্ষেত্ৰতেই ভোটাৰৰ পছন্দ সম্পূৰ্ণ বিশ্বস্ততাৰ সৈতে প্ৰতিফলিত হোৱাৰ কোনো নিশ্চয়তা নাই আৰু সেয়েহে সম্ভাব্য ত্ৰুটি বা কাৰচাজিৰ পৰিমাণ নিৰ্বিশেষে ইচিআইৰ বৰ্তমান প্ৰক্ৰিয়াবোৰ সংশোধন কৰিবলৈ তাৎক্ষণিক পদক্ষেপ লোৱা হওক। ইয়াৰ উপৰি, ডমেইন বিশেষজ্ঞসকলে স্পষ্টভাৱে কৈছে যে ইচিআইৰ বৰ্তমানৰ 'মানদণ্ডৰ আশ্বাস' আৰু পৰীক্ষাৰ ৰণনীতিয়ে নিশ্চিতকৈ ফলাফলৰ প্ৰৱঞ্চনা বা কৌশলেৰে পৰিচালনাৰ সুযোগ মুকলি নকৰে।

ভোটাৰসকলে তেওঁলোকৰ সৈতে সংলগ্ন ইভিএম আৰু ইয়াৰ লগত যুক্ত প্ৰিণ্টাৰৰ পৰা ওলোৱা শাৰীৰিকভাৱে কাগজৰ শ্লিপ চাবলৈ আৰু পৰীক্ষা কৰিবলৈ সক্ষম হোৱাটো নিশ্চিত কৰিবলৈ ভিভিপেট প্ৰণালীটো পিছত আৰম্ভ কৰা হৈছিল। উচ্চতম ন্যায়ালয়ে ভোটাৰসকলক তেওঁলোকৰ ভোটৰ সম্পূৰ্ণ বিশ্বস্ততাৰ বিষয়ে আশ্বাস দিয়াৰ বাবে ভিভিপেটক অতিৰিক্ত পৰ্যায় হিচাপে প্ৰৱৰ্তন কৰাৰ নিৰ্দেশ দিছিল কিন্তু ভোটদানৰ বৰ্তমান প্ৰক্ৰিয়া এই উদ্দেশ্যৰ সৈতে অনুৰূপ নহয় আৰু ত্ৰুটিবোৰ আওকাণ কৰে, যাতে হেৰফেৰ কৰিব পৰা যায়। উদাহৰণ স্বৰূপে, এই কাগজৰ ট্ৰেইলটো অকাৰ্যকৰী ৰূপত প্ৰস্তুত কৰা হৈছে, কিয়নো ভোটাৰক ইয়াৰ চীল কৰা বাকচলৈ আঁতৰি যোৱাৰ আগতে তেওঁলোকৰ ভোট পৰীক্ষা কৰাৰ বাবে 'চিহ্নিত শ্লিপবোৰ' অতি সংক্ষিপ্ত সময় দিয়ে। ইয়াৰ উপৰি, ইচিআইয়ে বেলট বাকচত প্ৰাপ্ত পৰম্পৰাগত কাগজৰ গণনাত ব্যয় কৰা সময়ৰতকৈ যথেষ্ট পৰিমাণে কম হোৱাৰ পিছতো অপ্ৰয়োজনীয়ভাৱে সময় ব্যয় কৰাৰ কাৰণ দেখুওৱাই ইলেকট্ৰনিক ফলাফলৰ সৈতে ভিভিপেট কাগজ-শ্লিপ গণনাৰ সংখ্যা পৰীক্ষা কৰিবলৈ অস্বীকাৰ কৰে। ভোটৰ ভিভিপেট শ্লিপ নিৰ্বাচনৰ পিছত এবছৰৰ বাবে ৰাখিব লাগে যদিও, ইচিআইয়ে ২০১৯ চনৰ নিৰ্বাচনৰ এই শ্লিপবোৰ নষ্ট কৰি পেলাইছে, যাৰ ফলত ইয়াৰ নীতি-নিষ্ঠতাক লৈ গভীৰ আশংকাৰ সৃষ্টি হৈছে। ইভিএমৰ ফলাফলৰ বাধ্যতামূলক পুনৰগণনা আৰু ভিভিপেট কাগজৰ শ্লিপৰ বাধ্যতামূলক গণনা সম্পৰ্কে নিয়মবোৰ সম্পূৰ্ণৰূপে অপৰিহাৰ্য। এইবোৰৰ বাবে প্ৰয়োজনীয় সময়ক নিৰ্বাচনী প্ৰক্ৰিয়াৰ বাবে বাধাৰ ৰূপত গণ্য কৰিব নালাগে।

চিচিইৰ ড'মেইন বিশেষজ্ঞসকলৰ মুখ্য উদ্বেগ আৰু পৰামৰ্শসমূহ ঃ

(১) এণ্ড-টু-এণ্ড প্ৰমাণীকৰণযোগ্যতা ঃ ইভিএমৰ সততা প্ৰমাণীকৰণৰ বাবে পূৰ্ব-নিৰ্ধাৰিত আৰু পূৰ্ব-স্থাপিত পৰীক্ষাৰ প্ৰকাৰ অপৰ্যাপ্ত বুলি জনা যায়। বৰ্তমানৰ ইভিএম প্ৰণালী প্ৰমাণযোগ্য নহয় আৰু সেয়েহে গণতান্ত্ৰিক নিৰ্বাচনৰ বাবে অনুপযুক্ত। ছফ্টৱেৰ আৰু হাৰ্ডৱেৰৰ মাজত স্বতন্ত্ৰতা সুনিশ্চিত কৰিবলৈ, সম্ভাব্য শুদ্ধতাৰ নিশ্চয়তাৰ সৈতে এণ্ড টু-এণ্ড প্ৰমাণীকৰণযোগ্য প্ৰণালী আৰম্ভ কৰা উচিত আৰু ইচিআইয়ে ভুৱা ভোটৰ বিৰুদ্ধে ইয়াৰ ৰাজহুৱাভাৱে-প্ৰমাণীকৰণযোগ্য গেৰাণ্টি ঘোষণা কৰিব লাগিব।

(২) যদি ইভিএমৰ শুদ্ধতা স্থাপন কৰিব নোৱাৰি তেন্তে ইভিএম হেক কৰিব পাৰি নে নাই অনুমান কৰাটো ব্যৱহাৰিকভাৱে অসম্ভৱ। বিশেষকৈ, ইভিএম এতিয়াও হেক কৰা হোৱা চিনাক্ত কৰা হোৱা নাই ইয়াৰ অৰ্থ এইটো নহয় যে ইয়াক হেক কৰিব নোৱাৰি। সেয়েহে, ই ভি এমৰ সৈতে সম্ভৱতঃ টেম্পাৰ কৰা হ'ব পাৰে বুলি ধৰি লৈ নিৰ্বাচন অনুষ্ঠিত উচিত।

(৩) ভিভিপেট শ্লিপৰ মেনুৱেল গণনাৰ বিপৰীতে ই ভি এম গণনাৰ নিৰ্বাচনৰ পিছত অডিট থাকিব লাগিব। দৰাচলতে, যদি কোনো প্ৰতিদ্বন্দ্বিতা কাষ চাপি আছে, তেন্তে নিৰ্বাচনত জয়ী হ'বলৈ মাত্ৰ কেইটামান ইভিএমৰ সৈতে টেম্পাৰিং কৰা পৰ্যাপ্ত হ'ব। এনেদৰে, ব্যৱহাৰিকভাৱে, ফলাফলৰ প্ৰমাণীকৰণ আৰু নিৰ্ভৰযোগ্য নিশ্চিত কৰিবলৈ নাগৰিক সমাজ আৰু ৰাজনৈতিক দলৰ দাবী (ক্ৰমে ৩০ শতাংশ আৰু ৫০শতাংশ)তকৈ অধিক ইভিএম পৰীক্ষা কৰা আৱশ্যক হ'ব পাৰে।

(৪) ফলাফল ঘোষণা কৰাৰ আগতে ইলেকট্ৰনিক ভোট গণনাৰ কঠোৰ অডিট থাকিব লাগিব। অডিটটো এডহক পদ্ধতিৰ ওপৰত আধাৰিত হ'ব নালাগে কিন্তু কঠোৰ আৰু সু-প্ৰতিষ্ঠিত পৰিসাংখ্যিক অডিট কৌশল অনুসৰি ভিভিপেটৰ শ্লিপৰ এক পৰিসাংখ্যিকভাৱে গুৰুত্বপূৰ্ণ নমুনা গণনা কৰি। অডিট কিছুমান ক্ষেত্ৰত হ'ব পাৰে - বিজয়ৰ মাৰ্জিনৰ ওপৰত নিৰ্ভৰ কৰি - ভিভিপেটৰ শ্লিপৰ সম্পূৰ্ণ মেনুৱেল গণনাৰ প্ৰয়োজন।

নিৰ্বাচন সংক্ৰান্তীয় নাগৰিক আয়োগে প্ৰতিজন নাগৰিকক তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰাক এক মহান দায়িত্বৰ কাম হিচাপে গণ্য কৰিবলৈ আহ্বান জনাইছে যিয়ে দেশৰ গণতান্ত্ৰিক লোকাচাৰক অধিক আগুৱাই নিয়ে। এই উদ্দেশ্যত উপনীত হ'বলৈ পাঁচখন গুৰুত্বপূৰ্ণ ৰাজ্যিক নিৰ্বাচন হোৱাৰ পূৰ্বে এক গুৰুত্বপূৰ্ণ মুহূৰ্তত এই প্ৰতিবেদনটো জনসাধাৰণৰ সন্মুখত ৰখা হৈছে।

ইভিএম আৰু ভিভিপিএটিৰ সংক্ৰান্তত নিৰ্বাচন সম্পৰ্কিত নাগৰিকসকলৰ আয়োগৰ অন্তৰ্বৰ্তী প্ৰতিবেদন

কাৰ্যকৰী সাৰাংশ

জানুৱাৰী ১৬, ২০২১

নিম্নলিখিত দ্বাৰা জবানবন্দী দিয়াৰ ওপৰত ভিত্তি কৰি ঃ

পুনম আগৰৱাল, সাংবাদিক, দ্যা কুইণ্ট, জবানবন্দী

এম জি দেৱচাহায়ম, আই এ এছ(অৱসৰপ্ৰাপ্ত)। জবানবন্দী

ভেংকটেশ্ব নায়ক, আৰ টি আই কৰ্মী। জবানবন্দী

প্ৰসন্ন এছ, অধিবক্তা। জবানবন্দী

অনুপম ছৰাফ, অধ্যাপক আৰু ফিউচাৰ ডিজাইনাৰ। জবানবন্দী

সুবোধ শৰ্মা, সহকাৰী অধ্যাপক, কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিকতা, আই আই টি দিল্লী। জবানবন্দী

সন্দীপ শুক্লা, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিকতা, আই আই টি কানপুৰ। জবানবন্দী

বাপ্পা সিন্‌হা, প্ৰযুক্তিবিদ, ভাৰতৰ বিনামুলীয়া ছফ্‌টৱেৰৰ আন্দোলন। জবানবন্দী

পুৰভী এল ভোৰা, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান, জৰ্জ ৱাশ্বিংটন বিশ্ববিদ্যালয়, ৱাশ্বিংটন, ডিচি, মাৰ্কিন যুক্তৰাষ্ট। (যুটীয়াভাৱে দাখিল)

অলক চৌধুৰী, অধ্যাপক, ইলেকট্ৰিকেল আৰু কম্পিউটাৰ ইঞ্জিনীয়াৰিং, নৰ্থৱেষ্টাৰ্ন বিশ্ববিদ্যালয়, ইভানষ্ট'ন, ইলিনইছ, মাৰ্কিন যুক্তৰাষ্ট(পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

জে এলেক্স হালদাৰমেন, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিকতা, ইউনিভাৰ্চিটী অৱ মিচিগান, এন্ন আৰবাৰ, মিচিগান, মাৰ্কিন যুক্তৰাষ্ট। (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

ডুগলাছ ডব্লিউ. জনছ, সহযোগী অধ্যাপক, কম্পিউটাৰ বিজ্ঞান, ইউনিভাৰ্চিটী অৱ ল'ৱা, ল'ৱা চিটী, ল'ৱা, মাৰ্কিন যুক্তৰাষ্ট্ৰ (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

নাছিৰ মেমন, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিকতা, নিউ ইয়ৰ্ক বিশ্ববিদ্যালয়(ব্ৰুকলিন), নিউ ইয়ৰ্ক, মাৰ্কিন যুক্তৰাষ্ট্ৰ। (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

ভাগিৰথ নৰহৰি, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান, জৰ্জ ৱাশ্বিংটন বিশ্ববিদ্যালয়, ৱাশ্বিংটন, ডিচি, মাৰ্কিন যুক্তৰাষ্ট্ৰ। (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

আৰ ৰামানুজম, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান, গণিত বিজ্ঞান প্ৰতিষ্ঠান, চেন্নাই, ভাৰত। (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

ৰোনাল্ড এল, ৰিভেষ্ট, অধ্যাপক, ইলেকট্ৰিকেল অভিযন্তা আৰু কম্পিউটাৰ বিজ্ঞান, মাছাচুচেটছ ইন্সষ্টিটিউট অৱ টেকনলজী, কেমব্ৰিজ, মাছাচুচেটছ, মাৰ্কিন যুক্তৰাষ্ট্ৰ। (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

ফিলিপ বি ষ্টাৰ্ক, অধ্যাপক, পৰিসংখ্যা, ইউনিভাৰ্চিটী অৱ কেলিফৰ্ণিয়া, বাৰ্কেলী, মাৰ্কিন যুক্তৰাষ্ট্ৰ। (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

কে ভি সুব্ৰমণিয়ম, অধ্যাপক, কম্পিউটাৰ বিজ্ঞান, গণিত বিজ্ঞান প্ৰতিষ্ঠান, চেন্নাই, ভাৰত। (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

ভেনিছা টিগ', সহযোগী অধ্যাপক, স্কুল অৱ কম্পিউটিং আৰু ইনফৰ্মেচন চিষ্টেমছ, ইউনিভাৰ্চিটী অৱ মেলবৰ্ণ, অষ্ট্ৰেলিয়া। (পুৰৱী ভোৰাৰ সৈতে যুটীয়াভাৱে দাখিল)

ভাৰতৰ নিৰ্বাচন আয়োগ আৰু ইয়াৰ কাৰিকৰী সমিতিৰ সদস্যসকলকো প্ৰত্যয়ন হিচাপে আমন্ত্ৰণ কৰা হৈছিল। তেওঁলোক হ'ল—অধ্যাপক ডি টি সাহানী(আই আই টী দিল্লী), ৰজত মুনা(আই আই টি ভিল্লাই) আৰু ডি কে শৰ্মা (আই আই টি বম্বে)। অৱশ্যে কোনো বক্তব্য পোৱা নগ'ল। চি চি ইয়ে ই চিআইলৈ ইয়াৰ কাৰিকৰী সমিতিৰ সদস্য আৰু কিছুমান প্ৰাক্তন মুখ্য নিৰ্বাচন আয়ুক্তক প্ৰশ্নাৱলীও প্ৰেৰণ কৰিছিল, মাত্ৰ এজনৰ সঁহাৰি পোৱা গৈছিল।

১। গণতন্ত্ৰৰ নীতিবোৰ

ৰাজহুৱা নিৰ্বাচনৰ বাবে যিকোনো ভোটদান প্ৰক্ৰিয়া পালন কৰিবলগীয়া গণতন্ত্ৰৰ নীতিবোৰ হৈছে ঃ

১। ভোটদান প্ৰক্ৰিয়াটো এনেদৰে স্বচ্ছ হ'ব লাগে যাতে সাধাৰণ ৰাইজ সন্তুষ্ট হ'ব পাৰে যে তেওঁলোকৰ ভোট সঠিকভাৱে ৰেকৰ্ড আৰু গণনা কৰা হৈছে।

২। ভোটদান আৰু গণনা প্ৰক্ৰিয়া ৰাজহুৱাভাৱে নিৰীক্ষণযোগ্য হোৱা উচিত।

৩। সাধাৰণ নাগৰিকসকলে ভোটদান প্ৰক্ৰিয়াৰ অত্যাৱশ্যকীয় পদক্ষেপবোৰ পৰীক্ষা কৰিবলৈ সক্ষম হ'ব লাগে। যদি বিশেষ বিশেষজ্ঞ জ্ঞানৰ প্ৰয়োজন হয় তেন্তে সকলোৱে তেওঁলোকৰ নিজৰ বিশেষজ্ঞ বাছনি কৰিবলৈ সক্ষম হ'ব লাগে।

৪। ভোট গণনাত সত্যতা হোৱা উচিত আৰু অত্যাধিক বিশেষ জ্ঞান অবিহনে নিৰ্ভৰযোগ্যভাৱে ফলাফলবোৰ নিশ্চিত কৰা উচিত।

৫। নিৰ্বাচনী প্ৰক্ৰিয়া কেৱল মুক্ত আৰু নিৰপেক্ষ হোৱাই উচিত নহয়, বৰঞ্চ মুক্ত আৰু নিৰপেক্ষ দেখা যোৱা উচিত।

৬। নিৰ্বাচন আয়োগ সমগ্ৰ ভোটদান প্ৰক্ৰিয়াৰ সম্পূৰ্ণ নিয়ন্ত্ৰণত থাকিব লাগে, আৰু ব্যাপক হাৰত জনসাধাৰণে সত্যাসত্য নিৰূপণ কৰিবলৈ সক্ষম হ'ব লাগে।

৭। ইলেক্ট্ৰনিক প্ৰক্ৰিয়াবোৰ, যদি সেইবোৰ ভোটদানৰ বাবে ব্যৱহাৰ কৰা হয়, তেন্তে পৰিৱৰ্তনশীল প্ৰযুক্তি আৰু প্ৰযুক্তিগত প্ৰক্ৰিয়াৰ সৈতে মিশ্ৰিত হ'ব লাগে, আৰু ৰাজহুৱা তদন্ত/পৰীক্ষণযোগ্যতাৰ অধীন হ'ব লাগে।

এই প্ৰতিবেদনত আমি পৰীক্ষা কৰিছো যে ভাৰতত ব্যৱহৃত ভোটাৰ ভেৰিফাইড পেপাৰ অডিট ট্ৰেইল(ভিভিপেট) আধাৰিত প্ৰণালী ইলেক্ট্ৰনিক ভোটিং মেচিন(ইভিএম) কিমানদুৰ 'গণতান্ত্ৰিক নীতি' পালন কৰিছে আৰু কিছুমান পৰামৰ্শ আগবঢ়াইছো।

২। ইভিএমৰ সৈতে উদ্বেগ

১। এটা ইভিএমত, য'ত এটা বুটাম টিপি বৈদ্যুতিনভাৱে ভোট লিপিবদ্ধ কৰা হয়, আৰু ভোটাৰে কি ৰেকৰ্ড কৰা হৈছে তাক পৰীক্ষা কৰিব নোৱাৰে, এজন ভোটাৰক নিশ্চিতভাৱে নিশ্চিতি প্ৰদান কৰাৰ কোনো উপায় নাই যে তেওঁৰ ভোট উদ্দেশ্য অনুসৰি দিয়া হৈছে (ইভিএমত সঠিকভাৱে ৰেকৰ্ড কৰা হৈছে), ভোটদান হিচাপে ৰেকৰ্ড কৰা হৈছে (ইভিএমত যি ৰেকৰ্ড কৰা হৈছে সেয়া চূড়ান্ত তালিকাত যি সংগ্ৰহ কৰা হৈছে) আৰু লিপিবদ্ধ হিচাপে গণনা কৰা হৈছে। এই ভোটদানে সম্পূৰ্ণৰূপে ইভিএম আধাৰিত প্ৰণালীৰ ওপৰত সন্দেহ প্ৰকাশ কৰে।

২। এইটো সৰ্ববিদিত যে তাত্বিকভাৱে ইভিএমৰ দৰে জটিল এটা প্ৰণালীৰ শুদ্ধতা স্থাপন কৰা এক গণনাগতভাৱে জটিল সমস্যা। এইটোও সুপৰিচিত যে গুণগত মানদণ্ড নিশ্চিতি (কিউএ) পৰীক্ষা কেতিয়াও ই ভি এমৰ শুদ্ধতা স্থাপন কৰিবলৈ পৰ্যাপ্ত নহয়, আৰু এনে পৰীক্ষাই কেৱল সম্ভাব্য ছফ্‌টৱেৰ বা হাৰ্ডৱেৰ ত্ৰুটিৰ এটা সৰু অংশ চিনাক্ত কৰিব পাৰে (এক সাধাৰণ নীতি অনুসৰণ কৰে, শুদ্ধতাৰ প্ৰমাণ গঠন নকৰে)। লগতে, এটা ইভিএমৰ অখণ্ডতা প্ৰমাণীকৰণৰ বাবে পূৰ্ব নিৰ্ধাৰিত আৰু পূৰ্বস্থাপিত পৰীক্ষাৰ প্ৰকাৰবোৰ অপৰ্যাপ্ত বুলি জনা যায়। বৰ্তমানৰ ইভিএম প্ৰণালী প্ৰমাণযোগ্য নহয় আৰু সেয়েহে গণতান্ত্ৰিক নিৰ্বাচনৰ বাবে অনুপযুক্ত।

৩। যদি ই ভি এমৰ শুদ্ধতা স্থাপন কৰিব নোৱাৰি তেন্তে এটা ইভিএম হেক কৰিব পাৰি নে নাই অনুমান কৰাটো ব্যৱহাৰিকভাৱে অসম্ভৱ। বিশেষকৈ, ইভিএম এতিয়াও হেক কৰা চিনাক্ত কৰা হোৱা নাই, ইয়াক হেক কৰিব নোৱাৰি তাৰ কোনো নিশ্চয়তা প্ৰদান কৰা নাই। সেয়েহে ভোটিং মেচিনবোৰ সম্ভৱত টেম্পাৰ কৰা হ'ব পাৰে বুলি ধৰি লৈ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব।

৪। ভোটাৰ-ভেৰিফাইড পেপাৰ অডিট ট্ৰেইল(ভিভিপেট) ভোটাদান ব্যৱস্থাক পৰীক্ষণযোগ্য কৰি তোলাৰ বাবে অন্যতম

উপায়। ভিভিপেটৰ ব্যৱহাৰ কৰি এজন ভোটাৰে নীতিগতভাৱে পৰীক্ষা কৰিব পাৰে যে তেওঁৰ ভোট উদ্দেশ্য অনুসৰি দিয়া হৈছে, আৰু উপযুক্তভাৱে প্ৰস্তুত কৰা অন্ত-নিৰ্বাচন পৰিসাংখ্যিক পৰীক্ষণে সম্ভৱতঃ নিৰ্ধাৰণ কৰিব পাৰে যে সংগ্ৰহ আৰু গণনা সঠিক। অৱশ্যে, এইটো নিম্নলিখিত তিনিটা প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্বপূৰ্ণভাৱে নিৰ্ভৰশীলঃ

(ক) ভিভিপেট প্ৰণালীটো সঁচাকৈয়ে ভোটাৰ-প্ৰমাণিত। সঠিক ভিভিপেট প্ৰট'কল হৈছে ভোটদান কৰাৰ আগতে ভোটাৰক ভিভিপেট শ্লিপ অনুমোদন কৰিবলৈ অনুমতি দিয়া, আৰু যদি বিসংগতি লক্ষ্য কৰা হয় তেন্তে তেওঁৰ ভোট বাতিল কৰাৰ বিকল্প প্ৰদান কৰা। যদি কোনো ভোটাৰে ভিভিপেট প্ৰিণ্টআউট অশুদ্ধ বুলি অভিযোগ কৰে তেন্তে বিবাদ সমাধানৰ বাবে এটা স্পষ্ট প্ৰট'কলৰ প্ৰয়োজন।

ইচিআইৰ ভিভিপেট প্ৰণালী সঁচাকৈয়ে ভোটাৰ-প্ৰমাণিত নহয়, কিয়নো ই কোনো ভোটাৰক তেওঁৰ ভোট বাতিল কৰিবলৈ প্ৰয়োজনীয় কৰ্তৃত্ব প্ৰদান নকৰে, যদি তেওঁ ভাবে যে ইয়াক ভুলভাৱে লিপিবদ্ধ কৰা হৈছে। লগতে, যদি ভোটাৰে বিবাদ উত্থাপন কৰে, তেন্তে তেওঁৰ বাবে এইটো প্ৰমাণ কৰাৰ কোনো উপায় নাই। এনেদৰে, তেনে পৰিস্থিতিত ভোটাৰক শাস্তি দিয়াটো সঠিক নহয়।

(খ) ভিভিপেট শ্লিপৰ বিশুদ্ধতা নিশ্চিত কৰিবলৈ সকলো প্ৰাৰ্থী আৰু সাধাৰণ ৰাইজৰ আগ্ৰহী সদস্যসকলে অনুপালন অডিট, প্ৰমাণযোগ্য হ'ব লাগিব। ভোটদানৰ সময়ত ভিভিপেট শ্লিপবোৰ বিশ্বাসযোগ্য হ'ব পাৰে, কিন্তু এইটো সুনিশ্চিত কৰা প্ৰয়োজন যে অডিট কৰোঁতে সেইবোৰ পিছত বিশ্বাসযোগ্য হৈ থাকে। তেতিয়াহে পৰৱৰ্তী পৰিসাংখ্যিক অডিটে ভোটদান প্ৰক্ৰিয়াৰ শুদ্ধতা স্থাপন কৰিব পাৰে। ভোটগ্ৰহণৰ পিছত আৰু ভোটগণনাৰ পূৰ্বে বা যেতিয়া ইভিএম আৰু ভিভিপেট ইচিআইৰ জিম্মাত থাকে, কোনো ধাৰণাৰ প্ৰয়োজন নোহোৱাকৈ ভুৱা বেজী বা ভোট বিলোপ কৰাৰ বিৰুদ্ধে পৰ্যাপ্ত নিশ্চয়তা থাকিব লাগিব। অন্যথা, বৈদ্যুতিন আৰু ভিভিপেট গণনাৰ কেৱল চুক্তিয়ে দুয়োটাতে ভুৱা ভোট সূচী বা বিলোপ কৰাটো অগ্ৰাহ্য কৰিব নোৱাৰে।

(গ) ভিভিপেট শ্লিপৰ মেনুৱেল গণনাৰ বিপৰীতে নিৰ্বাচনৰ পিছত ইভিএম গণনাৰ অডিট থাকিব লাগিব।

এইটো অনুমান কৰা ভুল যে ইভিএমত ত্ৰুটি (বা হেক কৰা)ৰ প্ৰৱণতা জনসংখ্যা অনুসৰি সমজাতীয়, ভোট জিকাৰ ব্যৱধানৰ পৰা স্বতন্ত্ৰ। দৰাচলতে, যদি কোনো এটা প্ৰতিযোগিতা ওচৰা-ওচৰি হয় তেন্তে নিৰ্বাচনত জিকিবলৈ কেৱল কেইটামান ইভিএমহে টেম্পাৰ কৰাটো পৰ্যাপ্ত হ'ব পাৰে। এনেদৰে, বাস্তৱত , ফলাফলৰ প্ৰমাণীকৰণ আৰু নিৰ্ভৰযোগ্য নিশ্চিত কৰিবলৈ নাগৰিক সমাজ আৰু ৰাজনৈতিক দলবোৰে ( ৩০ শতাংশ আৰু ৫০ শতাংশ) দাবী কৰাতকৈ অধিক ইভিএম পৰীক্ষা কৰাটো প্ৰয়োজনীয় হ'ব পাৰে।

৩। **পৰামৰ্শসমূহ**

১। ইচিআইৰ ভিতৰত সিদ্ধান্ত লোৱাৰ প্ৰক্ৰিয়াবোৰ ২০১৯ চনৰ সংসদীয় নিৰ্বাচনৰ তুলনাত অতি যুক্তিসঙ্গত, কঠোৰ আৰু নীতিগত হ'ব লাগিব।

২। ইভিএমবোৰ টেম্পাৰ-প্ৰুফ বুলি ধাৰণা কৰিব নোৱাৰি। ইলেক্ট্ৰনিক ভোটিং প্ৰণালীটো প্ৰমাণীকৰণযোগ্য বা অডিটযোগ্য হ'বলৈ ছফ্টৱেৰ আৰু হাৰ্ডৱেৰক স্বতন্ত্ৰ হ'বলৈ পুনৰ প্ৰস্তুত কৰিব লাগে। ইয়াৰ অৰ্থ এইটো নহয় যে ছফ্টৱেৰ বা হাৰ্ডৱেৰ ব্যৱহাৰ কৰিব নোৱাৰি, কিন্তু নিৰ্বাচনৰ ফলাফলৰ শুদ্ধতা সম্পূৰ্ণৰূপে তেওঁলোকৰ কামৰ ওপৰত সঠিকভাৱে নিৰ্ভৰশীল হ'ব নোৱাৰে।

৩। ভিভিপেট প্ৰণালীটো সম্পূৰ্ণৰূপে ভোটাৰ-প্ৰমাণিত হ'বলৈ পুনৰ ডিজাইন কৰিব লাগে। ভোটাৰে ভোট দান কৰাৰ আগতে ভিভিপেট প্ৰিণ্টআউট অনুমোদন কৰিবলৈ সক্ষম হ'ব লাগে, আৰু যদি ত্ৰুটি থাকে তেন্তে বাতিল কৰিবলৈ সক্ষম হ'ব লাগে।

৪। ভোটগ্ৰহণৰ পিছত আৰু গণনা আৰু অডিট কৰাৰ আগতে সম্পূৰ্ণ সময়ত ভিভিপেট শ্লিপ আৰু ইভিএম মেচিনৰ সততাক এনেদৰে সুনিশ্চিত কৰিব লাগিব যাতে সকলোৱে(আৰু বিশেষভাৱে প্ৰাৰ্থীসকলে) দ্বাৰা পৰীক্ষা কৰিব পৰা যায়। জিম্মাৰ শৃংখলাত কোনো বিশ্বাসৰ প্ৰয়োজনীয়তা থাকিব নালাগে।

৫। ফলাফল ঘোষণা কৰাৰ আগতে ইলেক্ট্ৰনিক ভোট গণনাৰ কঠোৰ অডিট থকা উচিত। অডিট তদৰ্থ পদ্ধতিৰ ভিত্তিত হ'ব নালাগে, অৱশ্যে কঠোৰ আৰু সুপ্ৰতিষ্ঠিত পৰিসাংখ্যিক অডিট কৌশল অনুসৰি ভিভিপেট শ্লিপৰ এক পৰিসাংখ্যিকভাৱে

গুৰুত্বপূর্ণ নমুনা গণনা কৰি। অডিট কিছুমান ক্ষেত্ৰত হ'ব পাৰে — বিজয়ৰ ব্যৱধানৰ ওপৰত নিৰ্ভৰ কৰি — ভিভিপেট শ্লিপৰ সম্পূৰ্ণ মেনুৱেল গণনাৰ আৱশ্যক।

৬। অডিটবোৰে সমস্যা প্ৰকাশ কৰিলে কি কৰিব লাগে সেয়া সিদ্ধান্ত লোৱাৰ বাবে আইন থাকিব লাগে। এনে আইন আদৰ্শভাৱে ভালদৰে প্ৰতিষ্ঠিত পৰিসাংখ্যিক প্ৰক্ৰিয়াৰ ওপৰত আধাৰিত হ'ব লাগে আৰু কেইজনমান বিষয়াৰ ব্যক্তিগত সিদ্ধান্তৰ ওপৰত নহয়।

৭। ভোটদান সৰঞ্জাম আৰু প্ৰক্ৰিয়াৰ প্ৰমাণপত্ৰৰ পৰা আঁতৰি যোৱাৰ নিৰ্ধাৰিত আৱশ্যকতা আছে আৰু এইটোৱে প্ৰদৰ্শন কৰে যে ইভিএমৰ সুৰক্ষা শৃংখলাৰ ওপৰত বিশ্বাস আৰু যন্ত্ৰ নিৰ্বিশেষে নিৰ্বাচনৰ ফলাফল সঠিক। এনে কৰাৰ দুটা উপায় হৈছে বিপদাশংকা সীমিত অডিটৰ বাবে কঠোৰ আৰু সুপ্ৰতিষ্ঠিত ৰণনীতি গ্ৰহণ কৰা বা সম্ভাৱ্য এণ্ড-টু-এণ্ড প্ৰমাণীকৰণযোগ্য ক্ৰিপ্টোগ্ৰাফিক প্ৰটোকল, বা দুয়োটা ব্যৱহাৰ কৰি। ইচিআইয়ে সম্ভাৱনাবোৰ অন্বেষণ কৰা উচিত।

৮। শেষত, ভোটদান প্ৰণালীৰ ডিজাইনক (চৰকাৰ আৰু ইচিআইৰ)স্বতন্ত্ৰ সমীক্ষাৰ অধীনত ৰাখিব লাগে আৰু নিৰ্বাচন প্ৰক্ৰিয়াৰ বিশুদ্ধতা স্বতন্ত্ৰ অডিটৰ অধীনত থাকিব লাগে। ফলাফলবোৰ ৰাজহুৱা কৰিব লাগে। বিশেষকৈ, সকলো ডিজাইনৰ বিৱৰণ স্বচ্ছ আৰু ৰাজহুৱাভাৱে উপলব্ধ হোৱা উচিত।